

এক বিশ্বজুৰি জৰুৰী সংবাদ

# ধৰ্ম্মৰ নামত কৰা ঘৃণনীয় কাৰ্য্যবোৰৰ অন্ত হ’বনে?

- ধৰ্ম্মৰ নামত কিয় ঘৃণনীয় কাৰ্য্যবোৰ কৰা হয়?
- কেতিয়া এইবোৰৰ অন্ত হ’ব?
- এই সম্বন্ধে লোৱা পদক্ষেপে আপোনাৰ ব্যক্তিগত জীৱনত কেনে প্ৰভাৱ পেলাব?

**ধৰ্ম্মৰ নামত কিয় ঘৃণনীয় কাৰ্য্য কৰা হয়?** ধৰ্ম্মৰ নামত কৰা ঘৃণনীয় কাৰ্য্যবোৰ দেখি আপুনি অতি দুঃখিত হোৱা নাইনে? তদুপৰি নিজকে ঈশ্বৰৰ উপাসক বুলি দাবী কৰোঁতাসকলে যুদ্ধ, সন্ত্ৰাসবাদ আৰু দুৰ্নীতি দৰে কাৰ্য্যবোৰত লিপ্ত হোৱা দেখি আপোনাৰ ন্যায়ৰ ভাৱনাত আঘাত কৰা নাইনে? ধৰ্ম্মই এই সমস্যাবোৰৰ মূল কাৰণ বুলি কিয় কোৱা হয়?

এই সমস্যাবোৰৰ পিছত যে সকলো ধৰ্ম্মৰ হাত আছে, এনে নহয়। কিন্তু ইয়াৰ বাবে কেৱল এনে ঘৃণনীয় কাৰ্য্যবোৰ *কৰা* ধৰ্ম্মহে জবাবদিহি। বিশ্বব্যাপী ধৰ্ম্মপৰায়ণ ব্যক্তি হিচাপে প্ৰসিদ্ধ হোৱা যীচুৱে, ঘৃণনীয় কাৰ্য্য কৰা ধৰ্ম্মবোৰক 'বেয়া গছে বেয়া গুটি ধৰাৰ' সৈতে তুলনা কৰিছিল যি কেৱল বেয়া কৰ্ম্মফলহে উৎপন্ন কৰে। (মথি ৭:১৫-১৭) এনে ধৰ্ম্মই কেনে প্ৰকাৰৰ ফল উৎপন্ন কৰে?



## এনে ধৰ্ম্ম . . .

■ **যুদ্ধ আৰু ৰাজনীতিৰ সৈতে জড়িত:** *এচিয়াউইক* নামৰ আলোচনীখনৰ অনুসাৰে, "এচিয়া আৰু আন আন দেশবোৰত ক্ষমতা-লুভী ৰাজনৈতিক নেতাসকলে নিজৰ স্বাৰ্থ পূৰ কৰাৰ উদ্দেশ্যৰে লোকসকলৰ মনত ধৰ্ম্মপ্ৰেমী ভাৱনা জগাই বিশৃংখলতা সৃষ্টি কৰিছে।" সেয়েহে এই আলোচনীখনে আগলৈ সতৰ্ক কৰি এইদৰে কৈছে: "এই জগতখন অজ্ঞানতালৈ ঢাল খাইছে।" সংযুক্ত ৰাষ্ট্ৰৰ এজন প্ৰসিদ্ধ ধৰ্ম্মীয় গুৰুৰ মতে, "হত্যাকান্ডৰ পৰা ৰক্ষা পোৱাৰ একমাত্ৰ উপায় হৈছে, সন্ত্ৰাসবাদীবিলাকৰ অস্তিত্ব নাইকিয়া কৰা।" কিন্তু ইয়াৰ বিপৰীতে বাইবেলে এইদৰে কৈছে: 'মই ঈশ্বৰক প্ৰেম কৰোঁ, ইয়াকে বুলি কোনোৱে যদি কয় কিন্তু নিজ ভাইক ঘিণ কৰে, তেন্তে তেওঁ মিছলীয়া।' (১ যোহন ৪:২০) আনকি এই বিষয়ে যীচুৱে এইদৰে কৈছিল: "*তোমালোকৰ শত্ৰুবিলাকক প্ৰেম কৰিবা।*" (মথি ৫:৪৪) আপুনি এনে কোনো ধৰ্ম্মৰ বিষয়ে বিবেচনা কৰিব পাৰেনে, যাৰ সদস্যবিলাকে যুদ্ধৰ বাবে হাতত কোনো অস্ত্ৰ লোৱা নাই?

■ **ভুল শিক্ষা প্ৰদান কৰে:** মানুহৰ মৃত্যুৰ পিছত তেওঁৰ আত্মা জীৱিত থাকে বুলি প্ৰায়ভাগ ধৰ্ম্মতেই শিক্ষা প্ৰদান কৰা হয়। তেনে কৰি তেওঁলোকে লোকসকলৰ পৰা সুবিধা আদায় কৰে। উদাহৰণস্বৰূপে, কোনো পৰিয়ালত মৃত্যু হোৱা ব্যক্তিজনৰ আত্মাৰ শান্তিৰ বাবে প্ৰাৰ্থনা কৰাৰ বিনিময়ত নিৰ্দ্ধাৰিত ধন দাবী কৰে। এই শিক্ষাৰ সম্বন্ধে বাইবেলে এক ভিন্ন দৃষ্টিভঙ্গী দাঙি ধৰি কৈছে যে, "*যি প্ৰাণীয়ে পাপ কৰে, সেই প্ৰাণীহে মৰিব।*" (যিহিস্কেল ১৮:৪) "জীৱিত লোকবিলাকে মৰিম বুলি জানে; কিন্তু মৃত লোকবিলাকে একোকেই নাজানে।" (উপদেশক ৯:৫) যদি মৃত্যুৰ পিছত আত্মা জীয়াই থাকে তেন্তে যীচুৱে পুনৰুত্থানৰ সম্বন্ধে দিয়া শিক্ষাৰ কোনো মূল্য নাই। (যোহন ১১:১১-২৫) আপোনাৰ ধৰ্ম্মই মৃত্যুৰ পিছত আত্মা জীয়াই থাকে বুলি দিয়া শিক্ষাক সমৰ্থন কৰেনে?

■ **অনৈতিক কাৰ্য্যৰ সমৰ্থন কৰে:** পশ্চিমীয়া দেশবোৰৰ গীৰ্জাৰ সদস্যবিলাকে পুংমৈথুন আৰু সমকামী ব্যক্তিবিলাকক যাজক বা পাদ্ৰী পদত অধিষ্ঠিত কৰিবলৈ কোনো সংকোচবোধ নকৰে। তদুপৰি তেওঁলোকে সমলিঙ্গ বিবাহক আইনগত হিচাপে মান্যতা দিবলৈ চৰকাৰৰ ওপৰত হেঁচা দিয়ে। আনকি ল'ৰা-ছোৱালীৰ ওপৰত দুৰ্ব্যৱহাৰ কৰোঁতা পাদ্ৰীবিলাকৰ অহিতে কোনো পদক্ষেপ নলয়। কিন্তু এই বিষয়ে বাইবেলে কেনে দৃষ্টিভঙ্গী দাঙি ধৰিছে? আমি বাইবেলত স্পষ্টকৈ এইদৰে পঢ়িবলৈ পাওঁ: "*তোমালোকে ভ্ৰান্ত নহবা; ব্যভিচাৰী, দেৱপূজক, পৰস্ত্ৰীগামী, সুখাভিলাষী, পুংমৈথুনী. . . এইবিলাকে ঈশ্বৰৰ ৰাজ্যত অধিকাৰ নাপাব।*" (১ কৰিন্থীয়া ৬:৯, ১০) আপুনি এনে কোনো ধৰ্ম্মৰ বিষয়ে জানেনে যি অনৈতিক কাৰ্য্যৰ সমৰ্থন কৰে?

বেয়া কৰ্ম্মফল উৎপন্ন কৰা ধৰ্ম্মবোৰৰ কেনে পৰিণাম হ'বলগীয়া আছে? এই বিষয়ে যীচুৱে সতৰ্ক কৰি এইদৰে কৈছিল: "যি গছে ভাল গুটি নধৰে, তাক কাটি, জুইত পেলোৱা হয়।" (মথি ৭:১৯) নিঃসন্দেহ, ঘৃণনীয় কাৰ্য্য কৰা ধৰ্ম্মক সম্পূৰ্ণকৈ ধ্বংস কৰা হ'ব। কিন্তু ইয়াৰ ধ্বংস কেনেকৈ আৰু কেতিয়া হ'ব? এই প্ৰশ্নটোৰ উত্তৰ প্ৰকাশিত বাক্য ১৭ আৰু ১৮ অধ্যায়ত বৰ্ণনা কৰা ভৱিষ্যদ্বাণীমূলক দৰ্শনৰ দ্বাৰা পোৱা যায়।

**ঘৃণনীয় কাৰ্য্য কৰা ধৰ্ম্মই "পৃথিৱীৰ ৰজাবিলাকৰ" ওপৰত ৰাজত্ব কৰিছে**

## ঘৃণনীয় কাৰ্য্য কৰা ধৰ্ম্মৰ ধ্বংস কেনেকৈ হ'ব?

কল্পনা কৰক যে বাইবেলে সাতোটা মূৰ আৰু দহোটা শিং থকা এটা ভয়ানক জন্তুৰ ওপৰত এজনী বেশ্যা বহি আছে বুলি ব্যাখ্যা কৰিছে। (প্ৰকাশিত বাক্য ১৭:১-৪) তাই "পৃথিৱীৰ ৰজাসকলৰ ওপৰত" ৰাজত্ব কৰিছে। তাই বেঙেনা আৰু সেন্দূৰ বৰণীয়া বস্ত্ৰ আৰু বহুমূল্য মণি আৰু মুকুতাৰে অলঙ্কৃত। তদুপৰি তাই মায়াকৰ্ম্মৰে '*সকলো জাতিকে* ভ্ৰান্ত কৰিছে।' (প্ৰকাশিত বাক্য ১৭:১৮; ১৮:১২, ১৩, ২৩) এই বেশ্যাৰূপী তিৰোতাজনীয়ে কাক প্ৰতিনিধিত্ব কৰে? বাইবেলে এই বেশ্যাৰূপী তিৰোতাজনীয়ে বিশ্বব্যাপী তথাকথিত ধাৰ্ম্মিক সংগঠনক প্ৰতিনিধিত্ব কৰে বুলি কাৰণ প্ৰদান কৰিছে। অৰ্থাৎ তাইক বেয়া কৰ্ম্মফল উৎপন্ন কৰা সকলো ধৰ্ম্মকে চিত্ৰিত কৰে।

এই বেশ্যাৰূপী তিৰোতাজনীয়ে বহা জন্তুটো বিশ্বৰ ৰাজনৈতিক শক্তিবোৰক বুজায়।* (প্ৰকাশিত বাক্য ১৭:১০-১৩) এই ঘৃণনীয় কাৰ্য্য কৰা ধৰ্ম্মই ৰাজনৈতিক শক্তিবোৰৰ ওপৰত ৰাজত্ব কৰি নিজ ইচ্ছাৰ অনুসাৰে পৰিচালনা কৰিবলৈ চেষ্টা কৰিছে।



অতি শীঘ্ৰেই এক আশ্চৰ্য্যজনক ঘটনা ঘটিবলগীয়া আছে। যাৰ বিষয়ে আমি বাইবেলত এইদৰে পঢ়িবলৈ পাওঁ: 'তুমি দেখা সেই দহোটা শিং আৰু জন্তুৱে সেই বেশ্যাক ঘিণ কৰিব, আৰু তাইক অনাথ আৰু উলঙ্গ কৰি, তাইৰ মঙহ খাব, আৰু তাইক জুইত পুৰি পেলাব।' (প্ৰকাশিত বাক্য ১৭:১৬) হঠাতে ৰাজনৈতিক শক্তিবোৰে ঘৃণনীয় কাৰ্য কৰা ধৰ্ম্মৰ ওপৰত আক্ৰমণ কৰি তাইক সম্পূৰ্ণকৈ ধ্বংস কৰি পেলাব। ৰাজনৈতিক শক্তিবোৰক তেনে পদক্ষেপ ল'বলৈ কিহে প্ৰেৰিত কৰিব? এই সম্বন্ধে বাইবেলৰ প্ৰকাশিত বাক্য নামৰ কিতাপখনে এইদৰে কৈছে: "*ঈশ্বৰে* তেওঁলোকৰ মনত প্ৰবৃত্তি জন্মালে।" (প্ৰকাশিত বাক্য ১৭:১৭) নিঃসন্দেহ, ঈশ্বৰে তাই কৰা সকলো দুষ্কৰ্ম্মৰ ন্যায়-বিচাৰ কৰিব। এই বেশ্যাজনীৰ উচিত ন্যায়-বিচাৰ ঈশ্বৰে তাইৰ ৰাজনৈতিক প্ৰেমিসকলৰ জৰিয়তে কৰিব।

যদি আপুনি এই ধৰ্ম্মৰ ধ্বংসৰ ভাগীদাৰ হ'ব নিবিচাৰে, তেন্তে কেনে পদক্ষেপ লোৱা আৱশ্যক? এই বিষয়ে স্বৰ্গদূতজনে এইদৰে বিঙিয়াই কৈছে: "তাইৰ পৰা ওলাই আঁহা।" (প্ৰকাশিত বাক্য ১৮:৪) এনে ঘৃণনীয় কাৰ্য্য কৰা ধৰ্ম্মৰ পৰা ওলাই অহা এইয়া হৈছে উচিত সময়। কিন্তু আপুনি ওলাই আহি ক'ত আশ্ৰয় ল'ব? যিহেতু নাস্তিক্যবাদত আশ্ৰয় লোৱাটো উচিত নহ'ব, কিয়নো ইয়াৰ পতনৰ সময় কাষ চাপি আহিছে। (২ থিচলনীকীয়া ১:৬-৯) তেনেহ'লে আশ্ৰয় লোৱাৰ একমাত্ৰ উচিত স্থান হৈছে সত্য ধৰ্ম্মৰ কাষ চপা। কিন্তু সত্য ধৰ্ম্মক আপুনি কেনেকৈ চিনাক্ত কৰিব?

**"তাইৰ পৰা ওলাই আঁহা"**

---

* এই বিষয়ে অধিককৈ জানিবলৈ অনুগ্ৰহ কৰি যিহোৱাৰ সাক্ষীসকলে প্ৰকাশিত কৰা *সৰ্ব্ব দি থাকক!* নামৰ ব্ৰচাৰখনৰ ১২ আৰু ১৩ পৃষ্ঠাত চাওক।



# সত্য ধৰ্ম্মক কেনেকৈ চিনাক্ত কৰিব পাৰি

**সত্য ধৰ্ম্মই কেনে উত্তম ফল উৎপন্ন কৰে?—মথি ৭:১৭.**

## সত্য ধৰ্ম্ম . . .

■ **প্ৰেম প্ৰকাশ কৰে:** সত্যৰ উপাসকসকলে ‘জগতৰ ভাগী’ নহয়, তদুপৰি সামাজিক পৰম্পৰা আৰু জাতিৰ দ্বাৰাও বিভক্ত নহয়। তেওঁলোকে “পৰস্পৰৰ মাজত প্ৰেম” প্ৰকাশ কৰে। (যোহন ১৩:৩৫; ১৭:১৬; পাঁচনিৰ কৰ্ম্ম ১০:৩৪, ৩৫) ইয়াৰ উপাসকসকলে ইজনে সিজনৰ বাবে নিজৰ জীৱন বিপদত পেলাবলৈও পিছ নুহুঁহকে।—১ যোহন ৩:১৬.

■ **ঈশ্বৰৰ বাক্যত ভাৰসা ৰাখে:** সত্য ধৰ্ম্মই “পুৰুষে পুৰুষে চলি অহা বিধিৰ” অনুসাৰে শিক্ষাদান কৰাৰ পৰিৱৰ্তে ঈশ্বৰৰ বাক্য অৰ্থাৎ বাইবেল আধাৰিত শিক্ষা প্ৰদান কৰে। (মথি ১৫:৬-৯) কিয় বাইবেলৰ শিক্ষা প্ৰদান কৰে? কিয়নো ‘গোটেই শাস্ত্ৰ ঈশ্বৰ-নিশ্বাসিত, যাতে শিক্ষাৰ, অনুযোগৰ আৰু পতিত-উত্থাপনৰ অৰ্থে লাভজনক।’—২ তীমথিয় ৩:১৬, ১৭.

■ **পৰিয়ালৰ বান্ধোন দৃঢ় আৰু উচ্চ নৈতিক স্তৰ পালন কৰে:** সত্য ধৰ্ম্মই স্বামীবিলাকক ‘নিজ নিজ ভাৰ্য্যাক নিজ শৰীৰ স্বৰূপে’ প্ৰেম কৰিবলৈ, ভাৰ্য্যাবিলাকক ‘স্বামীলৈ ভয় ৰাখিবলৈ’ আৰু ল’ৰা-ছোৱালীবিলাকক ‘পিতৃ-মাতৃৰ আজ্ঞাধীন হ’বলৈ’ শিক্ষা প্ৰদান কৰে। (ইফিচীয়া ৫:২৮, ৩৩; ৬:১) ইয়াৰ উপৰিও অধ্যক্ষ-পদৰ দায়িত্ব বহন কৰোঁতাসকলে নৈতিকতাৰ সম্বন্ধে উত্তম আৰ্হি প্ৰস্তুত কৰা আৱশ্যক।—১ তীমথিয় ৩:১-১০.

আন কোনো ধৰ্ম্মই এনে ধৰণৰ স্তৰবোৰ পালন কৰেনে? এই বিষয়ে ২০০১ চনত প্ৰকাশিত *হ’লকাষ্ট পলিটিক্স* নামৰ কিতাপখনে কৈছে: “যদি সৰহভাগ লোকে যিহোৱাৰ সাক্ষীসকলে প্ৰদান কৰা শিক্ষা আৰু কাৰ্য্যৰ অনুসাৰে জীৱন-যাপন কৰে, তেন্তে বিশ্বব্যাপী হত্যাকাণ্ড আৰু গণহত্যা অতীতৰ বিষয় হ’ব।”



**নিঃসন্দেহ, ২৩৫ খন দেশত যিহোৱাৰ সাক্ষীসকলে কেৱল বাইবেলৰ উচ্চ নৈতিক শিক্ষাবোৰৰ বিষয়ে প্ৰচাৰেই নহয়, কিন্তু সেইবোৰৰ অনুসাৰে জীৱন-যাপনো কৰে। গতিকে আপোনাৰ উপাসনা গ্ৰহণযোগ্য হ’বলৈ ঈশ্বৰে আপোনাৰ পৰা কি বিচাৰে, সেই বিষয়ে স্থানীয় যিহোৱাৰ সাক্ষীসকলৰ সৈতে যোগাযোগ কৰিবলৈ আমি আপোনাক অনুৰোধ কৰিছোঁ। অনতিপলমে এয়ে হৈছে উচিত পদক্ষেপ লোৱাৰ সময়। কিয়নো ঘৃণনীয় কাৰ্য্য কৰা ধৰ্ম্মৰ ধ্বংস একেবাৰে নিকটৱৰ্তী হ’ল।—চফনিয়া ২:২, ৩.**